# REGIONAL NEWS UNIT

AKASHVANI :: GUWAHATI

0000000000

**Date : 22-04-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

***:::::::::::::::::::::::::::::::***

ৰাজ্যত অহা ২ আৰু ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান অব্যাহত আছে। প্ৰাৰ্থীসকলে ভোটাৰক আকৰ্ষণ কৰাৰ উদ্দেশ্যে ঠায়ে ঠায়ে প্ৰচাৰ সভা, ৰেলী আদিৰ আয়োজন কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা সৰ্বানন্দ সোণোৱাল, অগপৰ সভাপতি অতুল বৰাকে ধৰি বিভিন্নজনে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলাইছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি চৰাইদেউ জিলাৰ লাকুৱাত এখন জনসভাত অংশ লয়। শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ ভালেসংখ্যক লোকে এই সভাত অংশগ্ৰহণ কৰে।

ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই বৰাকত দুদিন প্ৰচাৰ চলোৱাৰ পাছত আজি গোলাঘাট জিলাৰ খুমটাই সমষ্টিৰ অন্তৰ্গত মৰঙি আৰু নামবৰ জিলা পৰিষদত নিৰ্বাচনী প্ৰচাৰ চলায়। মন্ত্ৰী নন্দিতা গাৰ্লোচা আৰু খুমটাইৰ বিধায়ক মৃণাল শইকীয়াই সভাপতিগৰাকীৰ সৈতে প্ৰচাৰ সভাত ভাগ লয়। কাইলৈ তেওঁ শোণিতপুৰ আৰু গহপুৰত নিৰ্বাচনী প্ৰচাৰ চলাব। অসম গণ পৰিষদ দলৰ সভাপতি অতুল বৰাই আজি গোলাঘাট জিলাত প্ৰচাৰ সভাত অংশ লৈ বিগত সময়ছোৱাত বিজেপি মিত্ৰজোঁট চৰকাৰখনে জনসাধাৰণৰ কল্যাণৰ ক্ষেত্ৰত গ্ৰহণ কৰা বিভিন্ন পদক্ষেপসমূহত আলোকপাত কৰে। শ্ৰীবৰাই এই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থী তথা খুমটাই, গোলাঘাট, সৰুপথাৰ আৰু দেৰগাঁও সমষ্টিৰ দলীয় কৰ্মকৰ্তাৰ সৈতে জিলা বিজেপিৰ কাৰ্যালয়ত এখন বৈঠকত মিলিত হয়। কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা সৰ্বানন্দ সোণোৱালে কাইলৈ শদিয়া, লখিমপুৰ আৰু জোনাইত প্ৰচাৰ চলাব।

ধেমাজি জিলাত আজি যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈ আৰু প্ৰদেশ কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই বৰদলনিৰ বৰবামত প্ৰচাৰ সভাত অংশ লয়। সাংসদ গগৈয়ে কেন্দ্ৰ আৰু ৰাজ্যত কংগ্ৰেছ চৰকাৰ নাথাকিলেও জনসাধাৰণৰ হৃদয়ত কংগ্ৰেছ আছে বুলি মন্তব্য কৰে।

ডিব্ৰুগড় জিলাৰ ৭ টা বিধানসভা সমষ্টিৰ অন্তৰ্গত ২২ খন জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়ত সদস্য আৰু ৱাৰ্ড সদস্যৰ বাবে ২ মে'ত হ'বলগীয়া নিৰ্বাচনৰ বাবে প্ৰাৰ্থী আৰু ৰাজনৈতিক দলসমূহৰ ব্যস্ততা বৃদ্ধি পাইছে। মন্ত্ৰী বিমল বৰা, প্ৰশান্ত ফুকন, বিধায়ক তৰংগ গগৈ, পোনাকণ বৰুৱা, বিনোদ হাজৰিকা, তেৰশ গোৱালা, চক্ৰধৰ গগৈ নিজ নিজ সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। উল্লেখযোগ্য যে ভাৰতীয় জনতা পাৰ্টি

আৰু অসম গণ পৰিষদ মিত্ৰ দলে ইতিমধ্যে কেইবাখনো জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু ৱাৰ্ড সদস্যৰ পদত বিনাপ্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে।

ooooo

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি জিলা ক্ৰিকেট সন্থাৰ নৱগঠিত সমিতিৰ বিষয়ববীয়াসকলৰ সৈতে মিলিত হৈ জিলাখনত ক্ৰীড়া ক্ষেত্ৰৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰে। জিলাখনত কালি গঠন কৰা ক্ৰিকেট সন্থাৰ সমিতিত সভাপতি হিচাপে তেওঁক অন্তৰ্ভুক্ত কৰাৰ বাবে ডাঃ পেগুৱে বাছনি সমিতিক ধন্যবাদ জনায়। তেওঁ অনাগত সময়ত জিলাখনৰ ক্ৰীড়া ক্ষেত্ৰৰ উৎকৰ্ষ সাধনেৰে ক্ৰীড়া প্ৰতিভাৰ বিকাশত অৰিহণা যোগাব পৰা যাব বুলি আশা প্ৰকাশ কৰে।

oooo

বৰপেটা জিলাৰ একাংশ লোকে নিজক দন্ত চিকিৎসক বুলি ভূৱা পৰিচয় দি জনসাধাৰণক প্ৰৱঞ্চনা কৰি থকা বুলি বৰপেটা জিলা দন্ত চিকিৎসক সন্থাই অভিযোগ উত্থাপন কৰিছে। বৰপেটা প্ৰেছ ক্লাৱত আয়োজিত এখন সংবাদমেলত আজি সন্থাই কয়, যে এই পৰ্যন্ত ২৭ জন লোকে চিকিৎসক বুলি ভূৱা পৰিচয় দি চিকিৎসা কৰি থকাৰ তথ্য তেওঁলোকৰ হাতত মজুত আছে। দন্ত চিকিৎসক সন্থাই বৰপেটা জিলাৰ কাৰ্যকৰী সভাপতি ডাঃ ধনীৰাম তালুকদাৰে এই বিষয়টো সন্দৰ্ভত জিলাখনৰ আয়ুক্ত আৰক্ষী অধীক্ষক আৰু যুটীয়া স্বাস্থ্য সঞ্চালকলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰিছে বুলি উল্লেখ কৰে। স্মাৰকপত্ৰত সন্থাই তথ্য দাখিল কৰা লোকসকলৰ শিক্ষা গ্ৰহণৰ নথিপত্ৰ চালি জাৰি চোৱাৰ লগতে চিকিৎসা বৃত্তিত নিয়োজিত হ'ব পৰাকৈ তেওঁলোকে কিবা অনুজ্ঞাপত্ৰ লাভ কৰিছে নেকি সেই বিষয়ে অনুসন্ধান চলাবলৈ দাবী জনোৱা হৈছে।

ooooo

পৰিবেশ সংৰক্ষণ আৰু জলবায়ু পৰিৱৰ্তনৰ প্ৰতি সজাগতা সৃষ্টিৰ লক্ষ্যৰে আজি বিশ্ব ধৰিত্ৰী দিৱস পালন কৰা হৈছে। জলবায়ু পৰিৱৰ্তন, প্ৰদূষণ, বনাঞ্চল ধবংস আৰু জৈৱ বৈচিত্ৰ্যৰ ক্ষতিৰ দৰে পৰিৱেশৰ সৈতে জড়িত সমস্যাসমূহৰ বিষয়ে সজাগতা বৃদ্ধি কৰিবলৈ ১৯৭০ চনৰ পৰা প্ৰতি বছৰে আজিৰ দিনটো বিশ্ব ধৰিত্ৰী দিৱস হিচাপে পালন কৰি অহা হৈছে। এইবেলি বিশ্ব ধৰিত্ৰী দিৱস পালনৰ বিষয়বস্তু হ'ল- আমাৰ শক্তি, আমাৰ গ্ৰহ। বিশ্ব ধৰিত্ৰী দিৱস উদ্‌যাপনৰ ৫৫ বছৰ পূৰ্ণ হোৱাৰ দিনটো আজি বিশ্বৰ ১৯২ খন দেশৰ জনসাধাৰণে পালন কৰিছে।

ধৰিত্ৰী দিৱস উপলক্ষে আজি অইল ইণ্ডিয়া লিমিটেডৰ উদ্যোগত আজি দুলিয়াজানৰ পথাৰ নাট্যগোষ্ঠীয়ে আমাৰ শক্তি আমাৰ গ্ৰহ শীৰ্ষক এখন বাটৰ নাট পৰিবেশন কৰে। পথাৰ নাট্য বিদ্যালয়ৰ সৌজন্যত প্ৰদৰ্শন কৰা এই বাটৰ নাটৰ যোগেদি জনসাধাৰণৰ মাজত পৰিবেশ সংৰক্ষণৰ সজাগতা সৃষ্টি কৰাৰ প্ৰয়াস কৰা হৈছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌত অনুষ্ঠিত এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে-ডেলহী কেপিটেলছক জয়ৰ বাবে ১৬০ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ১৫৯ ৰাণ সংগ্ৰহ কৰে।

প্ৰত্যুত্তৰত ডেলহী কেপিটেলছে বাতৰি যুগুতোৱাৰ পৰলৈকে এক অভাৰত এটাও উইকেট নেহেৰুওৱাকৈ ১৫ ৰাণ সংগ্ৰহ কৰি খেলি আছে।

ooooo

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ